# অধ্যায় ১ ঃ স্বপ্নবাসবদত্তম্ ঃ সাধাৰণ আলোচনা

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ 'স্বপ্নবাসবদত্তম্' নাটকৰ চমু আভাস
১.৩.১ নাটকখনৰ পৰিচয়
১.৩.২ শিৰোনামৰ তাৎপৰ্য্য
১.৩.৩ নাটকখনত ব্যৱহৃত ৰস আৰু অলঙ্কাৰ
১.৪ নাট্যকাৰ ভাসৰ পৰিচয়
১.৪.১ ভাসৰ ৰচনাৱলী আৰু তাৰ উৎস
১.৪.২ ত্ৰিবান্দ্ৰম গ্ৰন্থমালাৰ ৰচক হিচাপে ভাসৰ স্বীকৃতি
১.৪.৩ ভাসৰ সময়
১.৪.৪ ভাসৰ লিখনিৰ বৈশিষ্ট্য
১.৫ 'স্বপ্নবাসবদত্তম্' নাটকৰ অংকসমূহৰ সাৰাংশ
১.৬ 'স্বপ্নবাসবদত্তম্' নাটকৰ চৰিত্ৰ চিত্ৰণ
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'স্বপ্নবাসবদত্তম্' নাটকৰ বিষয়ে এটি চমু আভাস লাভ কৰিব পাৰিব
- মহাকবি ভাসৰ ৰচনাসমূহ আৰু তেওঁৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- 'স্বপ্নবাসবদত্তম্' নাটকৰ প্ৰতিটো অংকৰ বিষয়বস্তুৰ সাৰাংশ আয়ত্ত কৰিব পাৰিব
- নাটকখনৰ মূল চৰিত্ৰসমূহৰ বৈশিষ্ট্য সম্পৰ্কে অৱগত হ'ব পাৰিব।

## ১.২ পৰিচয়

সংস্কৃত সাহিত্যত দুই ধৰণৰ কাব্য পোৱা যায়। এবিধ হ'ল শ্ৰব্য কাব্য আৰু আন প্ৰকাৰৰ কাব্য হৈছে দৃশ্যকাব্য। অভিনয়ৰ জৰিয়তে প্ৰদৰ্শন কৰিব পৰা যায় বাবেই ইয়াক দৃশ্যকাব্য আখ্যা

দিয়া হয়। দৃশ্য কাব্যক পুনৰ দুই ভাগত ভগাব পাৰি। সেয়া হৈছে ৰূপক আৰু উপৰূপক। ইয়াৰে ‘ৰূপক’ৰ দহটা আৰু ‘উপৰূপক’ৰ ওঠৰটা প্ৰকাৰ আছে। দহ প্ৰকাৰ ৰূপকৰ নামবোৰ হ’ল— ১) নাটক, ২) প্ৰকৰণ, ৩) ভাণ, ৪) ব্যায়োগ, ৫) সমৱকাৰ, ৬) ডিম, ৭) ঈহামৃগ, ৮) অংক, ৯) বীথী আৰু ১০) প্ৰহসন। ইয়াত দেখা গৈছে যে ৰূপকৰ প্ৰথম আৰু প্ৰধান প্ৰকাৰ বিধ হৈছে নাটক।

সংস্কৃত সাহিত্যত ভালেসংখ্যক নাট্যকাৰে নাটক ৰচনা কৰি নাট্যকাব্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ইয়াৰে উৎকৃষ্ট নাটকসমূহৰ ভিতৰত অন্যতম হৈছে নাট্যকাৰ ভাসৰ দ্বাৰা বিৰচিত ‘স্বপ্নবাসবদত্তম্’।

এই অধ্যায়ত ‘স্বপ্নবাসবদত্তম্’ নাটকখনৰ এটা সাধাৰণ সমালোচনা আগবঢ়োৱা হৈছে। অধ্যায়টিৰ জৰিয়তে আপুনি ‘স্বপ্নবাসবদত্তম্’ নাটকৰ উৎস, বিষয়বস্তু, শিৰোনামৰ তাৎপৰ্য্য আদি সম্পৰ্কে জানিব পাৰিব। ইয়াৰ উপৰিও মহাকবি ভাসৰ বিভিন্ন ৰচনাৱলী আৰু লিখনিৰ বৈশিষ্ট্য সম্পৰ্কে জ্ঞান লাভ কৰিব। স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰতিটো অংকৰ বিষয়বস্তুৰ সাৰমৰ্ম, নাটকীয় চৰিত্ৰসমূহৰ বৈশিষ্ট্য আদি বিষয়ৰ লগতো এই অধ্যায়ৰ জৰিয়তেই পৰিচিত হ’ব পাৰিব।

## ১.৩ স্বপ্নবাসবদত্তম্ নাটকৰ চমু আভাস

এই অংশত আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ পৰিচয়, শিৰোনামৰ তাৎপৰ্য্য, নাটকখনত ব্যৱহাৰ হোৱা ৰস আৰু অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব।

### ১.৩.১ নাটকখনৰ পৰিচয়

***অংক ঃ*** নাটকৰ একোটা অধ্যায়।

***ধীৰললিত নায়ক ঃ*** উদ্বেগৰহিত, মৃদু-প্ৰকৃতিৰ আৰু কলা চৰ্চাত নিমগ্ন নায়ক।

সংস্কৃত সাহিত্যৰ উৎকৃষ্ট নাটকসমূহৰ ভিতৰত অন্যতম হৈছে স্বপ্নবাসবদত্তম্। এই নাটকখনৰ ৰচয়িতা নাট্যকাৰ ভাস। এই স্বপ্নবাসবদত্তম্ নাটকখনক ভাসৰ ৰচনাসমূহৰ ভিতৰত শ্ৰেষ্ঠ হিচাপে গণ্য কৰা হয়। নাটকখনত ছয়টা ***অংক*** আছে। গুণাঢ্যৰ বৃহৎকথাত সন্নিবিষ্ট উদয়ন আৰু বাসবদত্তাৰ কাহিনীৰ আধাৰত এই নাটকখনৰ বিষয়বস্তু প্ৰস্তুত কৰা হৈছে। এই নাটকৰ নায়ক বৎসৰাজ উদয়নক ***ধীৰললিত নায়ক*** হিচাপে অভিহিত কৰা হয়।

নাটকখনৰ বিষয়বস্তু চমুকৈ এনে ধৰণৰ। এই নাটকৰ নায়ক ৰজা উদয়নৰ ৰাজ্য শত্ৰুৰ কবলত পৰে। ভৱিষ্যতবক্তাসকলে ঘোষণা কৰিছিল যে মগধ ৰাজকুমাৰী পদ্মাৱতীক বিবাহ কৰালে উদয়নে হেৰোৱা ৰাজ্য ঘূৰাই পাব। সেয়ে মহামন্ত্ৰী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ উপায় চিন্তিবলৈ ধৰিলে। তেওঁ জানিছিল যে বাসবদত্তাৰ বৰ্তমানত উদয়নে পুনৰ আন এগৰাকী নাৰীক বিবাহ নকৰাব। সেয়ে তেওঁ এনে এটি পৰিকল্পনা কৰিলে যাৰ দ্বাৰা এইটো প্ৰচাৰ কৰা হ’ল যে তেওঁৰ আৰু বাসবদত্তাৰ জুইত পৰি মৃত্যু হৈছে। বাসবদত্তাৰ মৃত্যুত ৰজাই শোকত ম্ৰিয়মান হৈ পৰিল। ইপিনে আত্মপৰিচয় গোপন কৰি যৌগন্ধৰায়ণে বাসবদত্তাক পদ্মাৱতীৰ ওচৰত ৰাখিলে। বাসবদত্তাই পদ্মাৱতীৰ লগত

থকা সময়ছোৱাতেই উদয়নে পদ্মাৱতীক বিবাহ কৰায় আৰু মগধৰাজৰ সহায়ত তেওঁৰ হৃতৰাজ্য ঘূৰাই পায়। শেষত যৌগন্ধৰায়ণ আৰু বাসবদত্তাই সকলোৰে আগত আত্মপ্ৰকাশ কৰে। এনেদৰে নাটকখনৰ সমাপ্তি ঘটিছে।

## ১.৩.২ শিৰোনামৰ তাৎপৰ্য্য

ভাসৰ স্বপ্নবাসবদত্তম্ নাটকৰ চমু পৰিচয় লাভ কৰাৰ পিছত এতিয়া আপুনি ইয়াৰ শিৰোনামৰ তাৎপৰ্য জানিব পাৰিব।

সংস্কৃত ***অলঙ্কাৰ শাস্ত্ৰত*** থকা নিয়ম অনুসৰি নাটকৰ শিৰোনাম সদায় বিশেষ তাৎপৰ্য্যপূৰ্ণ হ'ব লাগে। সেই অনুসৰি নাট্যকাৰ ভাসেও উক্ত নাটকখনত 'স্বপ্নবাসবদত্তম্' এই বিশেষ শিৰোনাম ব্যবহাৰ কৰিছে।

***অলঙ্কাৰ শাস্ত্ৰ ঃ*** কাব্যৰ বিভিন্ন দিশৰ সম্যক আলোচনা বিষয়ক গ্ৰন্থ।

'স্বপ্নবাসবদত্তম্' নাটকৰ নামটো এনেদৰে ব্যাখ্যা কৰিব পৰা যায়— স্বপ্নে দৃষ্টা বাসবদত্তা স্বপ্নবাসবদত্তা। সা এব অভেদোপচাৰাৎ স্বপ্নবাসবদত্তম্। অৰ্থাৎ স্বপ্নত দৰ্শন লাভ কৰা বাসবদত্তা-স্বপ্নবাসবদত্তা। এই স্বপ্নবাসবদত্তাক নাটকৰ প্ৰধান বিষয়ৰ লগত অভিন্ন ৰূপত কল্পনা কৰা হোৱা বাবেই নাটকখনক স্বপ্নবাসবদত্তম্ বুলি কোৱা হয়।

এই নাটকৰ পঞ্চম অংকত নায়ক উদয়নে তেওঁৰ চিলমিল টোপনিত স্বপ্নাবিষ্ট হৈ বাসবদত্তাৰ লগত কথোপকথন কৰিছিল। এই উপঘটনাটিৰ আলমতেই নাটকখনৰ নাম 'স্বপ্নবাসবদত্তম্' ৰখা হৈছে। শিৰোনামত উল্লেখিত স্বপ্নদৃশ্যৰ লগত নাটকৰ মূল ঘটনাৰ গভীৰ সম্বন্ধ থকা কাৰণে উক্ত শিৰোনামক সফল আৰু তাৎপৰ্য্যপূৰ্ণ বুলি কব পৰা যায়।

## ১.৩.৩ নাটকখনত ব্যৱহৃত ৰস আৰু অলঙ্কাৰ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকত ব্যৱহাৰ হোৱা ৰস আৰু অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব।

অলঙ্কাৰ শাস্ত্ৰত ৰসক কাব্যৰ আত্মা বুলি কোৱা হয়। ৰস অবিহনে কাব্য এখনৰ কোনো অস্তিত্ব নাথাকে। সংস্কৃত নাটকত শৃঙ্গাৰ নাইবা বীৰ ৰস প্ৰধান বা অঙ্গী হিচাপে থাকিব লাগে। কৰুণ, হাস্য আদি ৰসবোৰ প্ৰধান ৰসৰ সহায়ক হিচাপে থাকে। স্বপ্নবাসবদত্তম্ নাটকৰ অঙ্গী বা প্ৰধান ৰস হৈছে কৰুণৰস সম্বলিত বিপ্ৰলম্ভ শৃঙ্গাৰ। বিপ্ৰলম্ভ শৃঙ্গাৰ ৰস ব্যঙ্গাত্মকভাৱে ইয়াত অতি প্ৰকট কৰি তোলা হৈছে। নাটকখনৰ তৃতীয় অংকত নায়ক উদয়নৰ লগত পদ্মাৱতীৰ বিবাহৰ বাবে প্ৰয়োজনীয় মালা গঁথাৰ দায়িত্ব উদয়নৰ প্ৰথমা পত্নী বাসবদত্তাক অৰ্পণ কৰা ঘটনাটো ইয়াৰ এক জ্বলন্ত উদাহৰণ।

এই নাটকত সুন্দৰ সুন্দৰ অলঙ্কাৰৰ প্ৰয়োগ কৰা হৈছে আৰু এইবোৰে নাটকখন মনোগ্ৰাহী কৰি তুলিছে। নাটকখনত ব্যৱহৃত কেইবিধমান ***অলঙ্কাৰ*** হৈছে— উপমা, অৰ্থান্তৰন্যাস, অপহ্নুতি, কাব্যলিঙ্গ, স্বভাবোক্তি আদি।

***অলঙ্কাৰ ঃ*** কাব্যৰ সৌন্দৰ্য্যবৰ্দ্ধক অস্থিৰধৰ্ম।



**জানি থোৱা ভাল**

১) সংস্কৃত সাহিত্যৰ নাটকত চাৰি প্ৰকাৰৰ নায়ক থাকে। সেয়া হৈছে— ধীৰোদাত্ত, ধীৰোদ্ধত, ধীৰললিত আৰু ধীৰ প্ৰশান্ত।

২) ৰস অবিহনে কোনো ৰচনাই কাব্য হোৱাৰ যোগ্যতা অৰ্জন নকৰে। এই ৰস ন প্ৰকাৰৰ। সেইবোৰ হৈছে— শৃঙ্গাৰ, হাস্য, করুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভূত আৰু শান্ত। ইয়াৰে শৃঙ্গাৰ ৰসক পুনৰ দুটা ভাগত ভগোৱা হয়। সেয়া হৈছে— সম্ভোগ শৃঙ্গাৰ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ‘স্বপ্নবাসবদত্তম্’ নাটকৰ ৰচয়িতা কোন?

..........................................................................................

**প্ৰশ্ন নং ২ ঃ** এই নাটকৰ নায়ক আৰু নায়িকা গৰাকীৰ নাম কি?

..........................................................................................

**প্ৰশ্ন নং ৩ ঃ** যিটো উপঘটনাৰ আলমত নাটকখনৰ নামকৰণ কৰা হৈছে সেইটো কোন অংকৰ অন্তৰ্গত?

..........................................................................................

## ১.৪ নাট্যকাৰ ভাসৰ পৰিচয়

স্বপ্নবাসবদত্তম্ নাটকৰ নাট্যকাৰ ভাসক ভাৰতীয় নাট্য সাহিত্যৰ পিতৃ বুলি কোৱা হয়। ভাস হৈছে এক পূৰ্ণাংগ আৰু বহু চৰিত্ৰযুক্ত নাটকৰ প্ৰথম ৰচয়িতা। এই অংশত আপুনি ভাসৰ ৰচনাসমূহৰ বিষয়ে বিভিন্ন জ্ঞান লাভ কৰিব পাৰিব।

### ১.৪.১ ভাসৰ ৰচনাৱলী আৰু তাৰ উৎস

এতিয়া আপুনি ভাসৰ ৰচনাৱলী আৰু তাৰ উৎসসমূহৰ বিষয়ে জানিব।

ভাসে সৰ্বমুঠ তেৰখন নাটক ৰচনা কৰে। সেই নাটককেইখন হৈছে— ১) মধ্যমব্যায়োগ, ২) পঞ্চৰাত্ৰ, ৩) দূতবাক্য, ৪) দূতঘটোৎকচ্ছ, ৫) কৰ্ণভাৰ, ৬) উৰুভঙ্গ, ৭) প্ৰতিমা, ৮) অভিযেক, ৯) বালচৰিত, ১০) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ, ১১) স্বপ্নবাসবদত্তা ১২) অৰিমাৰক, ১৩) চাৰুদত্ত ।এই নাটকসমূহৰ প্ৰথম ছয়খন হৈছে মহাভাৰতৰ আধাৰত ৰচিত। ‘প্ৰতিমা’ আৰু ‘অভিযেক’ৰ উৎস হৈছে ৰামায়ণ। বালচৰিতৰ মূল ‘হৰিবংশ’। ‘প্ৰতিজ্ঞা যৌগন্ধৰায়ণ’ আৰু ‘স্বপ্নবাসবদত্তা’ হৈছে ‘বৃহৎকথা’ত বৰ্ণিত উদয়ন আৰু বাসবদত্তাৰ কাহিনীৰ আধাৰত ৰচিত। ‘অবিমাৰক’ আৰু ‘চাৰুদত্ত’ৰ বিষয়বস্তুৰ উৎস

এতিয়ালৈ নিশ্চিতভাৱে নিৰ্ধাৰণ কৰিব পৰা নাই।

## ১.৪.২ ত্ৰিবান্দ্ৰম গ্ৰন্থমালাৰ ৰচক হিচাপে ভাসৰ স্বীকৃতি

এইখিনিতে আপুনি এইকথা জানি থ'ব লাগিব যে ভাসৰ দ্বাৰা ৰচিত নাটকসমূহ কেইবা শতিকা ধৰি লোকচক্ষুৰ পৰা আঁতৰত আছিল। কিন্তু সৌভাগ্যবশতঃ ১৯০৯ চনত মহামহোপাধ্যায় গণপতি শাস্ত্ৰীয়ে বৰ্তমানৰ কেৰালা ৰাজ্যৰ ত্ৰিবান্দ্ৰম নামৰ ঠাইত এই নাটক কেইখনৰ ৩০০ বছৰ পুৰণি পাণ্ডুলিপি উদ্ধাৰ কৰে। কিন্তু এই নাটকসমূহৰ ক'তো নাট্যকাৰৰ নাম নাছিল। পণ্ডিত গণপতি শাস্ত্ৰীয়ে এই গ্ৰন্থসমূহৰ সমালোচনাত্মক পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে এই তেৰখন গ্ৰন্থৰ আটাইকেইখন একেজন ৰচকৰ আৰু ৰচকজন হৈছে মহাকবি ভাস।

এই নাটককেইখনত বহুতো সাদৃশ্য পৰিলক্ষিত হয়। সেইবোৰৰ কেইটামান তলত উল্লেখ কৰা হ'ল—

১) ভাসৰ প্ৰতিখন নাটক 'নান্দ্যন্তে ততঃ প্ৰৱিশতি সূত্ৰধাৰঃ' অৰ্থাৎ নান্দী পাঠৰ অন্তত সূত্ৰধাৰে প্ৰবেশ কৰে— এই বাক্য শাৰীৰে আৰম্ভ হৈছে। কিন্তু সংস্কৃত নাটকসমূহ ***নান্দী*** শ্লোকেৰেহে আৰম্ভ কৰা হয়।

২) 'কৰ্ণভাৰম'ৰ বাহিৰে আনসমূহ নাটকৰ পাতনি বা ভূমিকা বুজাবলৈ 'স্থাপনা' শব্দৰ ব্যৱহাৰ কৰা হৈছে। সাধাৰণতে সংস্কৃত নাটকসমূহত ইয়াক 'প্ৰস্তাৱনা' বুলিহে কোৱা হয়।

৩) নাটক কেইখনৰ কোনো এখনতো নাট্যকাৰৰ নাম উল্লেখ কৰা হোৱা নাই। নাট্যকাৰৰ নাম আৰু বংশ পৰিচয় উল্লেখ কৰাটো সাধাৰণ সংস্কৃত নাটকৰ এক লক্ষণীয় বিষয়।

৪) সৰহ সংখ্যক নাটকৰেই প্ৰথম শ্লোকত নাটকখনৰ মূল চৰিত্ৰসমূহৰ নাম উল্লেখ কৰা হৈছে। ইয়াকে মুদ্ৰালঙ্কাৰ বুলি কোৱা হয়।

৫) নাটকসমূহৰ ***ভৰতবাক্য***ৰ যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। সামান্য সালসলনি কৰি একেটা ভৰতবাক্য বহুকেইখন নাটকত প্ৰয়োগ কৰা হৈছে।

৬) এই নাটকসমূহত এনে কিছুমান শব্দ আছে যিবোৰ ব্যাকৰণ সন্মত নহয়। ইয়াৰ উপৰি বহুতো ***আৰ্ষ প্ৰয়োগো*** পৰিলক্ষিত হয়।

৭) এই নাটকসমূহত বহুক্ষেত্ৰত ***নাট্যশাস্ত্ৰ***ৰ নীতি মানি চলা হোৱা নাই। নাট্যশাস্ত্ৰমতে মঞ্চত দূৰাহ্বান, মৃত্যু, বধ, শয়ন আদি দৃশ্য দেখুওৱা উচিত নহয়। কিন্তু 'পঞ্চৰাত্ৰ'ত দূৰাহ্বানৰ, 'প্ৰতিমা' আৰু 'উৰুভঙ্গ'ত মৃত্যুৰ আৰু 'বালচৰিত'ত বধৰ দৃশ্যৰ অৱতাৰণা কৰা হৈছে।

৮) বহুকেইখন নাটকত একে নামৰ চৰিত্ৰ বিদ্যমান। যেনে— মহিলা দ্বাৰৰক্ষীৰ নাম বিজয়া আৰু কঞ্চুকীৰ নাম বাদৰায়ণ আদি।

গতিকে উক্ত নাটককেইখন যে একেজন ৰচকৰ সেইকথা এই যুক্তিসমূহৰ

***নান্দী ঃ*** নাটকৰ আৰম্ভণিত থকা আশীৰ্বাদ বচনযুক্ত স্তুতি গীত।

***ভৰতবাক্য ঃ*** নাটকৰ সামৰণিত অভিনেতাসকলৰ দ্বাৰা মঙ্গল কামনা কৰি গোৱা শ্লোক।

***আৰ্ষ প্ৰয়োগ ঃ*** ঋষিৰদ্বাৰা উক্ত শব্দৰ প্ৰয়োগ। ইয়াতে ঋষি শব্দটোৱে প্ৰাচীন পণ্ডিতক সূচায়।

***নাট্য শাস্ত্ৰ ঃ*** ভৰতমুনিৰদ্বাৰা প্ৰণীত মূলতঃ নাট্য সম্পৰ্কীয় আলোচনা বিষয়ক প্ৰাচীন গ্ৰন্থ।

দ্বাৰাই প্ৰমাণিত হয়। এতিয়া সেই ৰচকজন যে মহাকবি ভাস সেইটো বিচাৰ কৰা হওক।

মহাকবি বাণভট্টই তেওঁৰদ্বাৰা ৰচিত হৰ্ষচৰিতৰ আৰম্ভণিত ভাসৰ বিষয়ে এনেদৰে ব্যক্ত কৰিছে—

সূত্ৰধাৰকৃতাৰম্ভৈৰ্নাটকৈঃ বহুভূমিকৈঃ।
সপতাকৈৰ্যশো লেভে ভাসো দেবকুলৈৰিব।।

ইয়াৰ অৰ্থ হ'ল নাট্যকাৰ ভাসে সূত্ৰধাৰৰ দ্বাৰা আৰম্ভ হোৱা, অনেক চৰিত্ৰৰে বিভূষিত আৰু পতাকা অৰ্থাৎ বহু উপকাহিনীৰ সমাবেশেৰে সুসজ্জিত নিজৰ নাটকৰ দ্বাৰা যশ লাভ কৰিছে, যিদৰে এজন শিল্পীয়ে দেৱমন্দিৰৰ ওপৰত পতাকা স্থাপন কৰি কীৰ্ত্তিপ্ৰাপ্ত হয়।

ইয়াত কোৱা হৈছে যে ভাসৰ ৰচনাসমূহত তিনিটা বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ হৈছে সূত্ৰধাৰৰ দ্বাৰা আৰম্ভণি, বহু চৰিত্ৰৰ সমাবেশ আৰু উপকাহিনীৰ বহুলতা। যিহেতু উপলব্ধ ১৩খন নাটকতো এই বৈশিষ্ট্যসমূহ দেখা যায় সেয়ে এইকেইখন নিঃসন্দেহে ভাসৰ দ্বাৰা ৰচিত বুলি ক'ব পাৰি।

ইয়াৰ উপৰি যশস্বী কবি ৰাজশেখৰে ভাসৰ নাটকসমূহৰ ভিতৰত 'স্বপ্নবাসবদত্তম্' নাটকখনৰ কথা বিশেষভাবে এনেদৰে কৈছে যে এই নাটকখনক সমালোচনাৰ অগ্নিত দগ্ধ কৰিব পৰা নগ'ল। এই কথা তেওঁ এনেদৰে প্ৰকাশ কৰিছে—

'ভাসনাটকচক্ৰেঽপিছেকৈঃ ক্ষিপ্তে পৰীক্ষিতুম।
স্বপ্নবাসবদত্তস্য দাহকোঽভূন্ন পাৱকঃ।।'

গতিকে ৰাজশেখৰে 'স্বপ্নবাসবদত্তম্' নাটকখন ভাসৰ দ্বাৰা ৰচিত বুলি প্ৰকাশ কৰিছে। ইতিমধ্যে এই কথা জানিব পৰা গৈছে যে আনকেইখন নাটকৰো ৰচক 'স্বপ্নবাসবদত্তম্' নাটকৰ সৈতে একে। গতিকে এই ১৩খন নাটকৰ আটাইকেইখন ভাসৰ দ্বাৰাই ৰচিত বুলি প্ৰমাণিত হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৪ ঃ** ভাসৰ নাটকসমূহৰ আৰম্ভণিৰ বাক্যশাৰী কি?

..........................................................................................

**প্ৰশ্ন নং ৫ ঃ** ভুল নে শুদ্ধ— ভাসৰ নাটকসমূহত সকলো ক্ষেত্ৰতে নাট্যশাস্ত্ৰৰ আৰু ব্যাকৰণৰ নীতি মানি চলা হৈছে।

..........................................................................................

## ১.৪.৩ ভাসৰ সময়

ভাসৰ ৰচনাৱলী আৰু তাৰ উৎসসমূহৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি ভাসৰ সময়সীমাৰ বিষয়ে জানিব।

নাট্যকাৰ ভাসে কোন সময়ত তেওঁৰ কবিত্ব প্রতিভাৰ বিকাশ ঘটাইছিল এই কথাৰ নির্দিষ্ট তথ্য পোৱা নাযায়। তথাপি বিভিন্ন যুক্তিৰ আশ্রয়ত পণ্ডিতসকলে ভাসৰ সময় নিশ্চিত কৰিবলৈ যত্ন কৰিছে।

১) সংস্কৃত সাহিত্যৰ সর্বশ্রেষ্ঠ মহাকবি কালিদাসে তেওঁৰ দ্বাৰা ৰচিত 'মালৱিকাগ্নিমিত্রম্' নাটকত ভাসৰ নাম উল্লেখ কৰিছে। কালিদাস খৃঃ পূঃ ১ম শতিকাৰ কবি আছিল। যিহেতু ভাস কালিদাসৰ সময়ত প্রতিষ্ঠিত কবি আছিল সেয়ে পণ্ডিতসকলে অনুমান কৰে যে ভাস খৃঃ পূঃ ২য় শতিকা বা তাৰো আগৰ আছিল।

২) মহাকবি শূদ্রকৰ দ্বাৰা ৰচিত প্রকৰণ 'মৃচ্ছকটিকম্' ভাসৰ দ্বাৰা ৰচিত 'চাৰুদত্তম'ৰেই এক বহল ৰূপ। ভাসৰ নাটকসমূহ উদ্ধাৰ হোৱাৰ আগলৈকে 'মৃচ্ছকটিকম্' খনকেই আটাইতকৈ প্রাচীন বুলি কোৱা হৈছিল। শূদ্রকে খৃঃপূঃ ২২০ চনত সিংহাসনত উঠিছিল আৰু খৃঃ পূঃ ১৯৭ চনত তেওঁৰ মৃত্যু হৈছিল। গতিকে খৃঃ পূঃ ২য় বা ৩য় শতিকাত 'মৃচ্ছকটিকম্' ৰচনা কৰা হৈছিল। ইয়াৰদ্বাৰা ভাসক খৃঃ পূঃ ৩য় শতিকা বা তাৰ আগৰ বুলি অনুমান কৰিব পাৰি।

৩) সম্রাট চন্দ্রগুপ্তৰ ৰাজসভাৰ মন্ত্রী কৌটিল্যৰদ্বাৰা ৰচিত অর্থশাস্ত্রত ভাসৰ নাটকৰ উদ্ধৃতি দিয়া হৈছে। সেয়ে ভাস কৌটিল্যৰ পূর্বৱর্তী হোৱাটো নিশ্চিত। চন্দ্রগুপ্ত খৃঃপূঃ ৩২১ চনত সিংহাসনত উঠা বুলি ঠাৱৰ কৰা হয়। ভাসে যিহেতু কৌটিল্যৰ দিনত সম্পূর্ণ প্রতিষ্ঠা লাভ কৰিছিল সেয়ে এই প্রতিষ্ঠা লাভ কৰিবলৈ অন্ততঃ অর্ধশতিকা পাৰ হোৱা বুলি অনুমান কৰিব পাৰি। গতিকে এই অনুসৰি ভাসৰ সময় খৃঃপূঃ ৩৭০ চন।

৪) ভাসৰ 'প্রতিজ্ঞাযৌগন্ধৰায়ণম্' আৰু 'স্বপ্নবাসবদত্তম্' এই দুখন বুৰঞ্জীমূলক নাটকত উদয়ন, প্রদ্যোত আৰু দর্শক — এই তিনিজন ৰজাৰ কথা উল্লেখ কৰা হৈছে। পণ্ডিতসকলৰ মতে, ৰজা দর্শক আৰু তেওঁৰ উত্তৰাধিকাৰীজনৰ সময় হৈছে ক্রমে খৃঃপূঃ ৪৭৫ আৰু খৃঃপূঃ ৪৫০। গতিকে দর্শক, উদয়ন আৰু প্রদ্যোতে খৃঃপূঃ ৪৭৫ চনৰ পৰা খৃঃপূঃ ৪৫০ চনৰ ভিতৰত অবস্থান কৰিছিল।

উক্ত আলোচনাৰ পৰা এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে ভাসৰ সময়ৰ উচ্চতম সীমা হৈছে খৃঃ পূঃ ৪৫০ আৰু ন্যূনতম সীমা খৃঃপূঃ ৩৭০ চন।

## ১.৪.৪ ভাসৰ লিখনিৰ বৈশিষ্ট্য

ভাসৰ সময়সীমাৰ বিষয়ে জনাৰ পিছত আপুনি এতিয়া ভাসৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে জানিব।

ভাসৰ নাটকৰ বাক্য গাঁথনি অতি সৰল। দীর্ঘ সমাসবদ্ধ শব্দ তেওঁৰ ৰচনাসমূহত প্রয়োগ কৰা হোৱা নাই। তেওঁৰ ৰচনাৰীতি অতি স্বাভাৱিক। ইয়াত ক'তো কৃত্রিমতাৰ স্থান নাই। ইয়াৰ উপৰি বর্ণনাৰ বাস্তৱিকতাই ভাসৰ নাটকসমূহ মনোগ্রাহী কৰি তুলিছে।

যদিও কোনোধৰণৰ জটিলতাই ভাসৰ ৰচনাক স্পর্শ কৰিব পৰা নাই তথাপি

কোনো কোনো স্থানত তেওঁৰ লিখনি অস্পষ্ট হৈ পৰে। ভাসে তেওঁৰ ৰচনাত এনে কিছুমান শব্দ ব্যবহাৰ কৰিছে যিবোৰ পিছৰ যুগৰ সংস্কৃত সাহিত্যত দেখা নাযায়। এই শব্দবোৰ যথেষ্ট প্ৰাচীন আৰু লগতে এইবোৰ ব্যাকৰণসন্মত নহয়। ইয়াৰ দ্বাৰা মহাকাব্য ৰীতিৰ দ্বাৰা যে ভাস অনুপ্ৰাণিত হৈছিল সেইটো প্ৰমাণ কৰিব পাৰি।

ভাস যিহেতু এজন বাস্তৱবাদী ৰচক সেয়ে তেওঁৰ চৰিত্ৰসমূহো লৌকিক গুণসম্পন্ন। দৰ্শক বা পাঠকে এই চৰিত্ৰসমূহৰ লগত একাত্ম হৈ তেওঁলোকৰ জীৱনৰ উত্থান-পতনত সহজে সহানুভূতিশীল মনোভাৱ প্ৰদৰ্শন কৰিব পাৰে।

নাটকৰ এক প্ৰধান উপাদান হৈছে ইয়াৰ সংলাপ। ভাসৰ ৰচনাসমূহৰ সংলাপ সম্পূৰ্ণৰূপে নাটকীয়। চৰিত্ৰসমূহৰ উক্তিবোৰ স্বাভাৱিক, বাস্তৱধৰ্মী আৰু যথেষ্ট পৰিপক্ক।

বিভিন্ন অলঙ্কাৰৰ ব্যৱহাৰেৰে ভাসে তেওঁৰ নাটকসমূহ সুন্দৰ কৰি তুলিছে। সাধাৰণতে সৰল অলঙ্কাৰসমূহে ভাসৰ নাটকত প্ৰাধান্য লাভ কৰিছে। সেইবোৰৰ ভিতৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা, অৰ্থান্তৰন্যাস, অনুমান আদি উল্লেখযোগ্য।

নাট্যকাৰ ভাসৰ নাটকসমূহত বিভিন্ন ৰসৰ আস্বাদন লাভ কৰিব পৰা যায়। বীৰ, বৎসল, হাস্য, অদ্ভুত, ৰৌদ্ৰ আৰু কৰুণ ৰসৰ প্ৰতি কবিগৰাকীৰ এক বিশেষ প্ৰীতি থকাটো পৰিলক্ষিত হয়। এটা সাধাৰণ ধাৰণা আছে যে শৃঙ্গাৰ ৰসেহে নাটক এখনক শ্ৰেষ্ঠত্ব প্ৰদান কৰিব পাৰে। কিন্তু ভাসৰ ৰচনাই এই ধাৰণা অসত্য বুলি প্ৰমাণিত কৰে। কাৰণ ভাসৰ নাটকসমূহৰ কেৱল স্বপ্নবাসবদত্তা আৰু অৱিমাৰক নামৰ নাটক দুখনতহে শৃঙ্গাৰ ৰসে প্ৰাধান্য লাভ কৰিছে।

ভাসৰ নাটক সমূহৰ ঠায়ে ঠায়ে থকা শ্লোকসমূহত বিভিন্ন ছন্দৰ প্ৰয়োগ বিদ্যমান। এইক্ষেত্ৰত ভাসে ***ছন্দঃশাস্ত্ৰ***ৰ নিয়মসমূহ কঠোৰভাবে মানি চলা দেখা যায়। ভাসৰ আটাইকেইখন নাটকতে বসন্ততিলক, উপজাতি আৰু শাৰ্দূলবিক্ৰীড়িত নামৰ ছন্দকেইটা দেখা যায়। ইয়াৰ উপৰিও তেওঁৰ নাটকসমূহত বিশেষভাবে প্ৰাধান্য লাভ কৰা কেইটামান ছন্দ হৈছে— মালিনী, পুষ্পিতাগ্ৰা, শালিনী, শিখৰিণী, প্ৰহৰ্ষিণী, আৰ্য্যা আদি।



***ছন্দঃশাস্ত্ৰ ঃ*** ছন্দৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পৰা শাস্ত্ৰ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ ঃ** ভাসৰ নাটকৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

..................................................................................

..................................................................................

**প্ৰশ্ন নং ৭ ঃ** ভাসৰ আটাইকেইখন নাটকত ব্যৱহৃত দুটা ছন্দৰ নাম উল্লেখ কৰক।

..................................................................................

## ১.৫ স্বপ্নবাসবদত্তম্ নাটকৰ অংকসমূহৰ সাৰাংশ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ অংকসমূহৰ সাৰাংশৰ বিষয়ে জানিব পাৰিব।

**প্ৰথম অঙ্ক ঃ** প্ৰথম অঙ্কৰ 'স্থাপনা'ত সূত্ৰধাৰে নান্দী পাঠৰ অন্তত নেপথ্যত কিছু কোঢ়াল শুনিবলৈ পাইছে আৰু তেওঁৰ বক্তব্য আগবঢ়োৱাত বাধাগ্ৰস্ত হৈছে। সেইসময়ত ৰাজকুমাৰী পদ্মাৱতীৰ অনুগামী ভৃত্যসকলে তপোবনবাসীসকলক আঁতৰিবলৈ নিৰ্দেশ দিছিল। সূত্ৰধাৰে এই কথা দৰ্শকবৃন্দক অৱগত কৰাই মঞ্চৰপৰা প্ৰস্থান কৰে।

অঙ্কটোৰ মূল দৃশ্যত ৰজা উদয়নৰ প্ৰধান মন্ত্ৰী যৌগন্ধৰায়ণক এক পৰিব্ৰাজকৰ বেশত আৰু বাসবদত্তাক এগৰাকী ***আৱন্তিকা***ৰ বেশত প্ৰৱেশ কৰা দেখা গৈছে। কাঞ্চুকীয়ৰ পৰা যৌগন্ধৰায়ণে জানিব পাৰিলে যে পদ্মাৱতীয়ে আশ্ৰমনিবাসী ৰাজমাতাক দেখা কৰিবলৈ তপোবনলৈ আহিছিল। ইয়াৰ পিছত পদ্মাৱতীয়ে তপস্বীসকলক তেওঁলোকৰ ঈপ্সিত বস্তু দান কৰিবলৈ ইচ্ছা কৰিলে আৰু কাঞ্চুকীয়ৰদ্বাৰা এই ঘোষণা আগবঢ়ালে। যৌগন্ধৰায়ণে তেতিয়া ***অৰ্থী*** হিচাপে নিজৰ প্ৰাৰ্থনা আগবঢ়ালে। তেওঁ ক'লে যে তেওঁৰ লগত থকা মহিলাগৰাকী তেওঁৰ ভগ্নী আৰু তেওঁৰ স্বামী বৰ্তমান প্ৰবাসত আছে। সেয়ে যৌগন্ধৰায়ণে পদ্মাৱতীক অনুৰোধ জনালে যে তেওঁৰ ভগ্নীপতি প্ৰবাসৰ পৰা ঘূৰি অহালৈকে পদ্মাৱতীয়ে ভগ্নীগৰাকীৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ল'ব লাগে। পদ্মাৱতীয়ে এই কথাত সন্মতি প্ৰকাশ কৰিলে। যৌগন্ধৰায়ণেও বাসৱদত্তাক পদ্মাৱতীৰ হাতত সমৰ্পণ কৰি নিশ্চিন্ত হৈ পৰিল। কাৰণ এই পদ্মাৱতী মহাৰাজ উদয়নৰ পত্নী হ'ব বুলি ভৱিষ্যত বক্তাসকলে ঘোষণা কৰিছিল।

> ***আৱন্তিকা ঃ*** অবন্তী ৰাজ্য-নিবাসী মহিলা।
>
> ***অৰ্থী ঃ*** কোনো বস্তু লাভ কৰিবলৈ ইচ্ছুক ব্যক্তি।

ইয়াৰ পিছত এজন ব্ৰহ্মচাৰীয়ে সেই তপোবনত প্ৰৱেশ কৰিলে। এই ব্ৰহ্মচাৰীয়ে নিজৰ পৰিচয় দি ক'লে যে তেওঁ বেদৰ বিশেষ জ্ঞান অৰ্জনৰ বাবে বৎসৰাজ্যৰ লাৱাণক গাঁৱত থাকিবলৈ লৈছিল। সেই গাঁৱতে ৰজা উদয়নেও বাস কৰিছিল। তেওঁ পুনৰ ক'লে যে ৰজা মৃগয়ালৈ যোৱা সময়ত গাঁওখনত জুই লাগিছিল। সেই গ্ৰামদাহত উদয়নৰ পত্নী বাসবদত্তা আৰু মন্ত্ৰী যৌগন্ধৰায়ণৰ মৃত্যু হ'ল। মৃগয়াৰ পৰা উভতি আহি ৰজা পত্নীৰ শোকত ম্ৰিয়মান হৈ পৰিল আৰু তেওঁ নিজেও সেই জুইতে প্ৰাণ দিবলৈ ইচ্ছা কৰিলে। অৱশ্যে মন্ত্ৰীসকলে অতি কষ্টেৰে তেওঁক সেই কাৰ্য্য কৰাত বাধা প্ৰদান কৰে। ইয়াৰ পিছত পত্নীক স্মৰণ কৰি ৰজাই বহু বিলাপ কৰাত অমাত্যগণে ৰজাক সেই গাঁৱৰ পৰা আঁতৰাই লৈ গ'ল। সেই ব্ৰহ্মচাৰীয়েও সেয়ে উদয়নৰ অনুপস্থিতিত সেই গাওঁখনত থাকিবলৈ ইচ্ছা নকৰি তাৰ পৰা গুচি আহিল। এইখিনি কথা কৈ ব্ৰহ্মচাৰীয়ে সকলোৰে পৰা বিদায় মাগিলে। উপস্থিত আন সকলেও সন্ধিয়াৰ আগমন হোৱাত সেই স্থান ত্যাগ কৰিলে।

**দ্বিতীয় অঙ্ক ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ ২য় অঙ্কত মাধবীলতা মণ্ডপৰ ওচৰতে পদ্মাৱতীয়ে কন্দুকেৰে খেলি থকা দেখা যায়। সেই সময়ত বাসবদত্তা আৰু চেটীও তেওঁৰ ওচৰত আছিল। বিভিন্ন কথোপকথনৰ মাজত বাসবদত্তাই চেটীৰ জৰিয়তে জানিব পাৰিলে যে পদ্মাৱতীয়ে ৰজা উদয়নৰ পত্নী হ'বলৈ বাঞ্ছা কৰিছে।

ইয়াৰ পিছত পদ্মাৱতীৰ ধাত্ৰীগৰাকী সেই স্থানত উপস্থিত হৈ জনালে যে ৰাজকুমাৰী পদ্মাৱতীৰ উদয়নৰ লগত বিবাহ সম্পন্ন কৰিবলৈ স্থিৰ কৰা হৈছে। লগতে তেওঁ এই কথাও

সদৰি কৰিলে যে ৰজা দৰ্শকে উদয়নৰ উচ্চ বংশ, জ্ঞান, বয়স আৰু ৰূপত মুগ্ধ হৈ নিজেই পদ্মাৱতীক দান কৰিছে। আন এগৰাকী চেটীয়ে বিবাহৰ কৌতুক মঙ্গল অনুষ্ঠান সেইদিনাই হ'ব বুলিও জনালে আৰু ইয়াৰ পিছতে সকলোৱে প্ৰস্থান কৰিলে।

**তৃতীয় অঙ্ক ঃ** নাটকখনৰ ৩য় অংকত দেখা যায় যে বাসবদত্তা অকলশৰে প্ৰমদবনলৈ আহিছে। সেই সময়ত ৰজাঘৰীয়া সকলো লোকে বিবাহৰ আনন্দত মত্ত হৈ আছিল। ইয়াৰ পিছত এগৰাকী চেটীয়ে বাসবদত্তাক বিচাৰি আহি প্ৰমদবনত প্ৰবেশ কৰিলে। তেওঁ ক'লে যে মহাৰাণীয়ে বিবাহমালা গঁথাৰ দায়িত্ব বাসবদত্তাক অৰ্পণ কৰিছে। এই কথাত বাসবদত্তাই মনত যথেষ্ট কষ্ট অনুভৱ কৰিলে। চেটীয়ে তেওঁক কিছুমান ফুল আনি দিলে। তাৰে এবিধ ফুলৰ নাম আছিল অবিধবাকৰণ। বাসবদত্তাই তেওঁৰ আৰু পদ্মাৱতীৰ বাবে এই ফুল বহুবাৰ গাঁথিবলৈ স্থিৰ কৰিলে। আকৌ আন এবিধ ফুল আছিল ***সপত্নীমৰ্দন***। তেওঁ চেটীক ক'লে যে এই ফুল তেওঁ নাগাঁথে। কাৰণ বাসবদত্তা যিহেতু স্বৰ্গগামী হৈছে, গতিকে এই ফুলৰ কোনো প্ৰয়োজন নাই। এনেদৰে বিভিন্ন কথা-বতৰাৰে তেওঁ মালা গঁথা কাম সম্পূৰ্ণ কৰিলে আৰু সেই সময়তে আন এগৰাকী চেটী আহি মালাবোৰ লৈ গ'ল। বাসবদত্তায়ো শয্যালৈ গৈ নিজকে সান্ত্বনা দিবলৈ স্থিৰ কৰিলে আৰু প্ৰস্থান কৰিলে।

***সপত্নীমৰ্দন ঃ*** সতিনীৰ বিনাশ।

**চতুৰ্থ অঙ্ক ঃ** এই অঙ্কত বিদূষকৰ উক্তিৰ জৰিয়তে পদ্মাৱতী আৰু উদয়নৰ বিবাহ সম্পন্ন হোৱাৰ কথা জানিব পৰা যায়। ইয়াৰ পিছত পদ্মাৱতীয়ে চেটী আৰু আৱন্তিকাৰূপী বাসবদত্তাৰ লগত প্ৰমদবনত প্ৰৱেশ কৰিছিল। প্ৰথমে তেওঁলোকে তাত ফুলি থকা কিছুমান ফুলৰ সৌন্দৰ্য্য উপভোগ কৰিলে। ইয়াৰ পিছত পৰস্পৰৰ মাজত হোৱা বিভিন্ন কথোপকথনৰ জৰিয়তে পদ্মাৱতী আৰু বাসবদত্তাই ৰজা তেওঁলোক দুয়োৰে কিমান প্ৰিয় সেই কথা প্ৰকাশ কৰিলে। ইয়াৰ পিছতে সেই ঠাইলৈ বিদূষক আৰু ৰজাৰ আগমন হয়। যিহেতু আৱন্তিকাই পৰপুৰুষৰ দৰ্শনৰ পৰা নিজকে বিৰত ৰাখিছিল সেয়ে তেওঁলোকে মাধৱীলতা মণ্ডপত প্ৰবেশ কৰিলে। ইপিনে ৰজা আৰু বিদূষকেও উপবেশন কৰিলে আৰু বিভিন্ন কথোপকথনত নিমগ্ন হ'ল। বিদূষকে ৰজাৰ পৰা জানিব বিচাৰিলে যে বাসবদত্তা আৰু পদ্মাৱতীৰ ভিতৰত ৰজাৰ বাবে কোনগৰাকী অধিক স্নেহৰ পাত্ৰী। ৰজাই প্ৰথমে ক'বলৈ ইচ্ছা কৰা নাছিল যদিও অৱশেষত ক'লে যে বাসবদত্তাৰ বাবে তেওঁৰ যি হৃদয় নিবদ্ধ হৈ আছে সেয়া পদ্মাৱতীয়ে হৰণ কৰিব পৰা নাই। কিছুসময় কথোপকথন কৰাৰ পিছত বাসবদত্তাক স্মৰণ কৰি ৰজাৰ দুচকু পানীৰে উপচি পৰিল। এই সকলো ঘটনা পদ্মাৱতী আৰু তেওঁৰ সঙ্গীসকলে আঁৰৰ পৰা লক্ষ্য কৰি আছিল। সেই সময়তে পদ্মাৱতীয়ে ৰজাৰ ওচৰত আত্মপ্ৰকাশ কৰিলে। ৰজা আৰু বিদূষক দুয়োৰে ফুলৰ ৰেণু চকুত পৰা বাবেহে ৰজাৰ চকুৰ পৰা পানী ওলোৱা বুলি ক'লে। বিদূষকে এইটো প্ৰসঙ্গ বেছি আগবাঢ়িবলৈ নিদিলে। আৰু সেই স্থান ত্যাগ কৰাৰ প্ৰস্তাৱ আগবঢ়ালে। ৰজাইও সন্মতি প্ৰকাশ কৰিলে আৰু সকলোৱে প্ৰস্থান কৰিলে।

**পঞ্চম অঙ্ক ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ পঞ্চম অঙ্কৰ আৰম্ভণিত দৰ্শকসকলক জনোৱা হৈছে যে পদ্মাৱতী অসুস্থ হৈ পৰিছে আৰু ***সমুদ্ৰগৃহত*** তেওঁৰ বিশ্ৰামৰ বাবে শয্যা ৰচনা কৰা হৈছে। এই কথা দুগৰাকী দাসীৰ কথোপকথনৰ পৰা জানিব পৰা গৈছে। ইয়াৰ পিছত আৱন্তিকাক

পদ্মাৱতীৰ অসুস্থতাৰ সংবাদটি দিবলৈ এগৰাকী দাসীয়ে প্ৰস্থান কৰিলে। আনগৰাকী দাসীয়ে সেই কথা ৰজাক জনোৱাৰ ব্যৱস্থা কৰিলে।

বিদূষকৰ মুখত ৰজাই এই কথা জানিব পাৰি শোকাভিভূত হৈ পৰিল। তেওঁ পদ্মাৱতীক দৰ্শন কৰাৰ অৰ্থে বিদূষকৰ সৈতে সমুদ্ৰ গৃহলৈ ৰাওনা হ'ল। সমুদ্ৰ গৃহত সেই সময়লৈ পদ্মাৱতীৰ আগমন হোৱা নাছিল। সেয়ে তেওঁ অহালৈ অপেক্ষা কৰি ৰজাই সেই শয্যাতেই উপৱেশন কৰিলে। বিদূষকৰ লগত কিছুসময় কথোপকথন কৰাৰ পিছত ৰজা নিদ্ৰাত নিমগ্ন হ'ল। বিদূষকে সেই সময়ত কিছু শীত অনুভৱ কৰি গাত লোৱা বস্ত্ৰখন আনিবলৈ প্ৰস্থান কৰিলে। ইতিমধ্যে পদ্মাৱতীৰ শাৰীৰিক অৱস্থাৰ বুজ ল'বলৈ সেই স্থানত বাসবদত্তাই প্ৰৱেশ কৰিলে। সেই সময়ত তাত অতি ক্ষীণ পোহৰ থকা বাবে বাসবদত্তাই শয্যাত শুই থকা ৰজাকেই পদ্মাৱতী বুলি ভাবি শয্যাৰ আনটো অংশত শয়ন কৰিলে। হঠাৎ টোপনিতে স্বপ্ন দেখি থকা ৰজাই হায় বাসবদত্তা! বুলি মুখেৰে উচ্চাৰণ কৰিলে। পদ্মাৱতীৰ স্থানত ৰজা থকা বুলি জানিব পাৰি বাসবদত্তাই লগে লগে শয্যা ত্যাগ কৰিলে আৰু ৰজাই তেওঁক দেখা বুলি শঙ্কিত হৈ পৰিল। কিন্তু ক্ষন্তেক পিছতে তেওঁৰ সেই সন্দেহ দূৰ হ'ল আৰু ৰজাক নিদ্ৰামগ্ন বুলি বুজিব পাৰিলে। কেইমহূৰ্তমান তাত থাকি বাসবদত্তাই শয্যাৰ পৰা তললৈ ওলমি পৰা ৰজাৰ হাতখন ভালদৰে শয্যাত ৰাখি সেই স্থান ত্যাগ কৰিলে। ৰজাই সাৰ পাই প্ৰস্থানৰতা বাসবদত্তাক ৰ'বলৈ ক'লে যদিও তেওঁ দুৱাৰৰ কাঠত লাগি আহত হ'ল। সেয়ে তেওঁ সেই নাৰী প্ৰকৃততে বাসবদত্তা হয়নে নহয় এই কথা ভালদৰে নিৰ্ণয় কৰিব নোৱাৰিলে। তাৰ পিছতে তাত উপস্থিত হোৱা বিদূষকক ৰজাই এই সমস্ত ঘটনা ব্যক্ত কৰিলে।

> **সমুদ্ৰ গৃহ ঃ** চাৰিওফালে পানীৰে আবৃত এটি গ্ৰীষ্মকালীন গৃহ বা প্ৰমোদ গৃহ।

ইয়াৰ পিছতে কাঞ্চুকীয়ই ৰজা দৰ্শকৰ এক বাৰ্তা লৈ উদয়নৰ ওচৰলৈ আহিল। তেওঁ ক'লে যে অমাত্য ৰুমণ্বানে আৰুণিক বধ কৰিবলৈ উপস্থিত হৈছে। ইয়াৰ উপৰিও শত্ৰুদমনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে। এই কথা জানিব পাৰি ৰজাই নিজস্থানৰ পৰা উঠি শত্ৰুনাশৰ বাবে সেই স্থান ত্যাগ কৰি ওলাই গ'ল।

**ষষ্ঠ অঙ্ক ঃ** এই অঙ্কৰ প্ৰথমতে কাঞ্চুকীয়ৰ পৰা জানিবপৰা গৈছে যে ৰৈভ্যগোত্ৰীয় কাঞ্চুকীয় আৰু বাসবদত্তাৰ ধাত্ৰী বসুন্ধৰাই উজ্জয়িনীৰ ৰজা মহাসেন আৰু তেওঁৰ মহিষী অঙ্গাৰৱতীৰ বাৰ্তা লৈ আহিছে। সেই সময়ত ৰজা উদয়নে ঘোষৱতী নামৰ বীণাখন হাতত লৈ বাসবদত্তাক স্মৰণ কৰি শোকাৰ্ত হৈ আছিল। অতিথিৰ আগমনৰ কথা প্ৰতিহাৰীৰ দ্বাৰা ৰজাক জনোৱা হ'ল। ৰজাই পদ্মাবতীকো সেই স্থানলৈ মাতি লৈ আহিবলৈ ক'লে। ৰজাৰ আজ্ঞা পালন কৰিবলৈ ওলাই গৈ প্ৰতিহাৰীয়ে পদ্মাৱতীক লগত লৈ সেই স্থানত পুনৰ প্ৰৱেশ কৰিলে। সমাগতসকলক তেওঁৰ নৱবিবাহিতা পত্নী পদ্মাৱতীক দৰ্শন কৰাবলৈ ইচ্ছা কৰি ৰজাই নিজৰ কাষতে বহিবলৈ ক'লে। ইয়াৰ পিছতে কাঞ্চুকীয় আৰু ধাত্ৰীয়ে প্ৰৱেশ কৰিলে। ৰজাই মহাসেনৰ কুশল বাৰ্তা ল'লে আৰু তেওঁৰ সংবাদ গ্ৰহণ কৰিলে। পুনৰ ধাত্ৰীৰ পৰা মহিষীৰ কুশল সংবাদ শুনিলে। মহিষীয়ে উদয়ন আৰু বাসবদত্তাৰ প্ৰতিকৃতি থকা এক চিত্ৰফলক প্ৰেৰণ কৰিছিল। এই চিত্ৰফলকতেই মহিষীয়ে তেওঁলোকৰ বিবাহ সম্পন্ন কৰাইছিল। বাসবদত্তাৰ অনুপস্থিতিত এই চিত্ৰ ফলকৰ দ্বাৰা মহিষীয়ে উদয়নক কিছু শান্ত কৰিবলৈ বিচাৰিছিল। পদ্মাৱতীয়ে যেতিয়া এই

চিত্ৰফলক দেখিলে তেওঁ ভাবিলে যে ফলকখনত থকা বাসবদত্তাৰ প্ৰতিকৃতিটো আৰ্য্যা আৱন্তিকাৰ দৰে। তেওঁ ৰজাক জনালে যে সেই প্ৰতিকৃতিৰ সদৃশ এগৰাকী নাৰী সেই স্থানতেই আছে। সেই গৰাকী যে এজন ব্ৰাহ্মণৰ ভগ্নী আৰু তেওঁক পদ্মাৱতীৰ ওচৰত সুৰক্ষাৰ বাবে ৰখা হৈছে সেই কথাও পদ্মাৱতীয়ে সদৰি কৰিলে। প্ৰতিহাৰী সেইসময়ত তাত প্ৰৱেশ কৰি জনালে যে এজন ব্ৰাহ্মণে তেওঁৰ ভগ্নীক ওভতাই নিবলৈ আহিছে। উদয়নৰ আজ্ঞামতে সেই ব্ৰাহ্মণক প্ৰবেশ কৰোৱা হ'ল। ব্ৰাহ্মণবেশী যৌগন্ধৰাযণৰ কণ্ঠস্বৰ ৰজাৰ পৰিচিত যেন বোধ হ'ল। ইয়াৰ পিছত আবন্তিকাক সেই স্থানলৈ লৈ অনা হ'ল। ধাত্ৰীয়ে আৱন্তিকাক বিশেষভাৱে লক্ষ্য কৰিলে আৰু ক'লে যে তেৱেঁই বাসবদত্তা। যৌগন্ধৰায়ণে এই কথা অস্বীকাৰ কৰিলে। ৰূপৰ সাদৃশ্য লক্ষ্য কৰিবলৈ ৰজাইও সেই মহিলাক দৰ্শন কৰিবলৈ ইচ্ছা কৰিলে। যৌগন্ধৰায়ণ আৰু বাসবদত্তাই তেতিয়া নিজৰ প্ৰকৃত পৰিচয় দাঙি ধৰিলে। বাসৱদত্তাক দেখি ৰজা আচৰিত হ'ল। যৌগন্ধৰায়ণে তেওঁৰ কাৰ্য্যৰ বাবে ৰজাৰ ওচৰত ক্ষমা বিচাৰিলে আৰু সেই কাৰ্য্যৰ আঁৰৰ সমস্ত কথা ৰজাক জানিবলৈ দিলে। পদ্মাৱতীৰ লগতে সকলোৱে ৰজা মহাসেনক এই কুশল সংবাদটি দিবলৈ স্থিৰ কৰিলে। ইয়াৰ পিছত ভৰতবাক্য পাঠ কৰি সমগ্ৰ নাটকখনিৰ সামৰণি মৰা হয়।

## ১.৬ স্বপ্নবাসবদত্তম্ নাটকৰ চৰিত্ৰ চিত্ৰণ

চৰিত্ৰ চিত্ৰণৰ ওপৰত এখন নাটকৰ সফলতা বহুখিনি নিৰ্ভৰ কৰে। নাট্যকাৰ ভাসে অতি নিপুণভাবে তেওঁৰ 'স্বপ্নবাসবদত্তম্' নাটকত চৰিত্ৰসমূহ অংকন কৰিছে। এই অংশত আপুনি নাটকখনৰ নায়ক উদয়ন, নায়িকা বাসবদত্তা আৰু লগতে পদ্মাৱতীৰ চৰিত্ৰৰ লগত পৰিচয় হ'ব পাৰিব।

**উদয়ন ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ নায়ক হৈছে বৎসৰাজ উদয়ন। বিভিন্ন গুণৰ সমন্বয়ত এই নাটকত উদয়নৰ মহৎ ব্যক্তিত্ব প্ৰকাশিত হৈছে।

সুন্দৰ শাৰীৰিক গঠনেৰে উদয়ন এজন সুদৰ্শন ব্যক্তি আছিল। তেওঁৰ শাৰীৰিক সৌন্দৰ্য্যৰ বিষয়ে নাটকৰ বিভিন্ন স্থানত উল্লেখ কৰা হৈছে। দ্বিতীয় অংকত বাসবদত্তাৰ উক্তিত তেওঁক দৰ্শনীয় বুলি স্পষ্টভাৱে কোৱা হৈছে। ইয়াৰ উপৰি তৃতীয় অংকত উদয়নক চেটীয়ে ধনু আৰু বাণ বিহীন কামদেৱ বুলি অভিহিত কৰিছে। এই কথা চেটীৰ উক্তিত এনেদৰে প্ৰকাশ পাইছে— 'শক্যং ভণিতুং শৰচাপহীনঃ কামদেব ইতি।' (অৰ্থাৎ তেওঁক ধনু আৰু বাণ ধাৰণ নকৰা কামদেৱ বুলি কব পাৰি।)

ৰজা উদয়ন জনসাধাৰণৰ যথেষ্ট শ্ৰদ্ধাৰ পাত্ৰ আৰু স্নেহভাজন আছিল। নাটকখনৰ প্ৰথম অংকতেই ব্ৰহ্মচাৰীৰ উক্তিত এই কথা প্ৰমাণিত হয়। মন্ত্ৰীবৰ্গই উদয়নক লাৱানক নামৰ গাঁৱৰপৰা আঁতৰাই লৈ যোৱা বাবে ব্ৰহ্মচাৰীয়েও সেই গাঁওখন এৰি গুছি আহিছিল। ব্ৰহ্মচাৰীয়ে কয় যে উদয়নৰ অনুপস্থিতিত লাৱানক নামৰ গাওঁখনে কান্তি হেৰুৱাই পেলাইছে আৰু ই চন্দ্ৰবিহীন আকাশ সদৃশ হৈ পৰিছে। এইটোৱে উ দয়নৰ প্ৰতি থকা তেওঁৰ প্ৰীতিৰ মনোভাবৰ কথা প্ৰতিপন্ন কৰে।

'স্বপ্নবাসবদত্তম্' নাটকত বৎসৰাজক এজন স্নেহপৰায়ণ আৰু বিশ্বাসভাজন স্বামী হিচাপে

প্ৰতিষ্ঠিত কৰা হৈছে। পত্নী বাসবদত্তাৰ প্ৰতি থকা তেওঁৰ গভীৰ আনুগত্য আৰু প্ৰেম নাটকখনত সুন্দৰভাবে উপস্থাপন কৰা হৈছে। নাটকৰ প্ৰথম অঙ্কত গ্ৰামদাহত বাসবদত্তাৰ মৃত্যু হোৱাৰ বাৰ্তা পাই উদয়নে সেই অগ্নিতে নিজৰ প্ৰাণ বিসৰ্জন দিবলৈ ওলোৱাটো ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন। ইয়াৰ উপৰি যেতিয়াই প্ৰসঙ্গক্ৰমে বাসবদত্তাৰ কথাৰ অৱতাৰণা কৰা হৈছিল তেতিয়াই উদয়ন শোকত কাতৰ হৈ পৰিছিল। চতুৰ্থ অংকত মৃতা বাসবদত্তাক স্মৰণ কৰি ৰজাৰ নয়নযুগল চকুপানীৰে পূৰ্ণ হৈ পৰিছিল। আকৌ ষষ্ঠ অংকত বাসবদত্তাৰ প্ৰিয় ঘোষবতী নামৰ বীনাখন হাতত লৈ বাসবদত্তাক স্মৰণ কৰি ৰজা উদয়ন মূৰ্চ্ছিত হৈছিল। এই অঙ্কতেই তেওঁ কৈছিল যে পিছৰ জন্মতো তেওঁ বাসবদত্তাক স্মৰণ নকৰাকৈ থাকিব নোৱাৰে। উদয়ন বাসবদত্তাৰ প্ৰতি ইমানেই অনুৰক্ত আছিল যে সেইসময়ত বহু বিবাহৰ প্ৰচলন থকা সত্বেও তেওঁ আন এগৰাকী পত্নীৰ কথা কল্পনা কৰিব পৰা নাছিল। সেয়ে মন্ত্ৰী যৌগন্ধৰায়ণে বাসবদত্তাৰ মৃত্যুৰ পৰিকল্পনা কৰিব লগা হৈছিল। এই কৌশল অৱলম্বন কৰিহে ৰজাৰ লগত পদ্মাৱতীৰ বিবাহ সম্পন্ন কৰোৱাত তেওঁ সফল হব পাৰিছিল। বাসবদত্তাৰ প্ৰতি ইমান অনুৰাগী হোৱা সত্বেও তেওঁ পত্নী পদ্মাৱতীক অবহেলা কৰা নাছিল। বিভিন্ন গুণেৰে বিভূষিতা পদ্মাৱতী তেওঁৰ বাবে যথেষ্ট সন্মানীয়া আছিল। এইকথা চতুৰ্থ অংকত ৰজাৰ উক্তিত এনেদৰে প্ৰকাশ পায়— 'পদ্মাৱতী মম বহুমতা যদ্যপি ৰূপশীল মাধুৰ্য্যৈঃ।' (অৰ্থাৎ সৌন্দৰ্য্য, সুচৰিত্ৰ আৰু মধুৰতাৰ বাবে পদ্মাৱতী মোৰ বাবে সন্মানীয় হলেও... ...)।

ৰজা উদয়ন এজন দয়ালু হৃদয়ৰ ব্যক্তি আছিল। চতুৰ্থ অংকত বিদূষক যেতিয়া ভোমোৰাবোৰৰ প্ৰতি ক্ৰোধান্বিত হৈছিল তেতিয়া উদয়নে তেওঁক বাধা দিছিল। তেওঁ কৈছিল যে এই ভোমোৰাবোৰৰ মাজত ভয়ৰ সঞ্চাৰ কৰা উচিত নহয়। অন্যথা সিহঁতৰ ইটোৱে সিটোৰ পৰা পৃথক হৈ পৰিব।

গুৰুজনৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন উদয়নৰ চৰিত্ৰৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। ষষ্ঠ অংকত কাঞ্চুকীয়ই বাসবদত্তাৰ পিতৃ ৰজা মহাসেনৰ সংবাদ দিবলৈ উদ্যত হোৱাৰ সময়ত ৰজা উদয়নে আসনৰ পৰা থিয় হৈ মহাসেনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল।

এনেদৰে অসাধাৰণ বৈশিষ্ট্য সম্পন্ন নায়ক উদয়নৰ চৰিত্ৰৰ জৰিয়তে 'স্বপ্নবাসবদত্তম্' নাটকখনে যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**বাসবদত্তা ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ নায়িকা বাসবদত্তা অৱন্তীৰ ৰাজকুমাৰী আৰু উজ্জয়িনীৰ ৰজা মহাসেনৰ কন্যা। তেওঁ ইমান ব্যক্তিত্বসম্পন্না আছিল যে তেওঁৰ শৰীৰত ৰাজকন্যাৰ ভাব পৰিলক্ষিত হৈছিল। নাটকখনতেই এইকথা প্ৰথম অংকত তাপসীৰ উক্তিত এনেদৰে প্ৰকাশ পাইছে— 'যদীদৃশীৰস্যা আকৃতিৰিয়মপি ৰাজদাৰিকেতি তৰ্কয়ামি'। (অৰ্থাৎ আকৃতিৰ ফালৰ পৰা লক্ষ্য কৰি এওঁকো ৰাজকন্যা যেন বোধ হৈছে।)

নাটকখনৰ বিভিন্ন স্থানত পতিপৰায়ণা নাৰী হিচাপে বাসবদত্তাক চিত্ৰিত কৰা হৈছে। স্বামী উদয়নৰ সুখ দুখ আদি মানসিক অৱস্থাসমূহৰ প্ৰতি তেওঁ সদা সচেতন আছিল। সেয়ে চতুৰ্থ অংকত বিদূষকৰ লগত প্ৰমোদবনত কথোপকথন কৰি থকা অৱস্থাত বাসবদত্তাই ৰজাক স্বাভাৱিক অবস্থাত দেখি সন্তুষ্টি লাভ কৰিছিল আৰু 'দিষ্ট্যা প্ৰকৃতিস্থ শৰীৰ আৰ্য্যপুত্ৰঃ' —এইবুলি তেওঁ মন্তব্য কৰিছিল। পুনৰ চতুৰ্থ অংকত বাসবদত্তাক স্মৰণ কৰি ৰজা যেতিয়া শোকাকুল হৈ পৰিছিল

তেতিয়া ৰজাক তেনে অবস্থাত এৰি থৈ যোৱাটো তেওঁ অনুপযুক্ত বুলি বিবেচনা কৰিছিল। সেয়ে তেওঁ পদ্মাৱতীক ৰজাৰ ওচৰলৈ যাবলৈ বাধ্য কৰিছিল।

ৰজা উদয়নৰ প্ৰতি বাসবদত্তাৰ অন্তৰত গভীৰ প্ৰেম নিহিত হৈ আছিল। উদয়নৰ বাবে তেওঁ আত্মীয় স্বজনকো ত্যাগ কৰিছিল। উদয়নৰ লগত বিচ্ছেদ হৈ থকা সময়ত তেওঁ অত্যন্ত মানসিক কষ্ট ভোগ কৰিছিল। এই অৱস্থাৰ বাবে তেওঁ নিজকে দুৰ্ভগীয়া বুলি গণ্য কৰিছিল। পুনৰ মিলন হোৱাৰ যি আশা সেই আশাৰ বাবেই তেওঁ নিজকে জীয়াই ৰাখিছিল। উদয়নৰ প্ৰতি কিমান অনুৰাগ আছিল সেই কথা তেওঁ চতুৰ্থ অংকত প্ৰকাশ কৰি কৈছে যে এই ক্ষেত্ৰত পদ্মাৱতীয়ে তেওঁক অতিক্ৰম কৰিব পৰা নাই। ইয়াৰ উপৰি উদয়নক দৰ্শন কৰি বাসবদত্তাই পৰিতুষ্টি লাভ কৰিছিল। পঞ্চম অংকত আত্মপৰিচয় গোপন কৰি থকা সময়ত তেওঁ নিদ্ৰামগ্ন উদয়নক দৰ্শন কৰিবলৈ কিছুক্ষণৰ বাবে অৱস্থান কৰিছিল।

বাসবদত্তা এগৰাকী অতি উদাৰ হৃদয়াসম্পন্না নাৰী আছিল। তেওঁৰ স্বামীৰ নৱবিবাহিতা পত্নী পদ্মাৱতীৰ প্ৰতি তেওঁ কেতিয়াও ঈৰ্ষাৰ ভাব পোষণ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ পদ্মাৱতীক তেওঁৰ বিৰহত উৎকণ্ঠিত স্বামীৰ বিশ্ৰামৰ স্থল বুলি বিবেচনা কৰিছিল। এই কথা পঞ্চম অংকত পদ্মাৱতী অসুস্থ হৈ পৰা সময়ত তেওঁ ব্যক্ত কৰিছিল।

সহনশীলতা বাসবদত্তাৰ চৰিত্ৰৰ আন এক গুণ। চতুৰ্থ অংকত তেওঁৰ স্বামীৰ লগত সম্পন্ন হ'ব লগা পদ্মাৱতীৰ বিবাহৰ মালা গঁথাৰ দায়িত্ব বাসবদত্তাক অৰ্পণ কৰা হৈছিল। এই কথাত বাসবদত্তাই যথেষ্ট মনোকষ্ট পাইছিল। কিন্তু বেদনাৰ বহিঃপ্ৰকাশ হ'বলৈ নিদি তেওঁ সেই দায়িত্ব মূৰ পাতি লৈছিল।

বাসবদত্তা অতি তীক্ষ্ণ বুদ্ধি সম্পন্না ৰমণী আছিল। কোনো কোনো সময়ত তেওঁৰ কিছুমান মন্তব্যৰ দ্বাৰা প্ৰকৃত পৰিচয় প্ৰকাশ পোৱাৰ উপক্ৰম হৈছিল। কিন্তু তেনেকুৱা পৰিস্থিতি বাসবদত্তাই তেওঁৰ বুদ্ধিমতাৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিছিল। উদাহৰণস্বৰূপে, দ্বিতীয় অংকত বাসবদত্তাই উদয়নক এক দৰ্শনীয় ব্যক্তি হিচাপে অভিহিত কৰিছিল। কিন্তু পদ্মাৱতীয়ে যেতিয়া তেওঁক এই কথা কেনেকৈ জানিব পাৰিলে বুলি সুধিলে তেতিয়া বাসবদত্তাই কৈছিল যে উজ্জয়িনীৰ লোকসকলৰ মুখত তেওঁ এই কথা জানিব পাৰিছে।

এনেদৰে 'স্বপ্নবাসবদত্তম্' নাটকত বাসবদত্তাক বিভিন্ন গুণেৰে বিভূষিতা এক আদৰ্শ ভাৰতীয় নাৰী হিচাপে প্ৰতিষ্ঠিত কৰা হৈছে।

**পদ্মাৱতী ঃ** পদ্মাৱতী আছিল মগধৰাজ দৰ্শকৰ ভগ্নী। 'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীৰ চৰিত্ৰটি অতি আকৰ্ষণীয় ৰূপত মহাকবিয়ে অংকন কৰিছে।

পদ্মাৱতী এগৰাকী ৰূপৱতী নাৰী আছিল। এই সৌন্দৰ্য্য তেওঁৰ উচ্চকুলৰ অনুৰূপ আছিল। এই কথা প্ৰথম অংকত বাসবদত্তাৰ উক্তিত এনেদৰে প্ৰকাশ পাইছে— 'অভিজনানুৰূপং খল্বস্যা ৰূপম্'। (অৰ্থাৎ এই ৰূপ তেওঁৰ উচ্চ বংশৰে অনুৰূপ।)

পদ্মাৱতী যথেষ্ট উচ্চ বিচাৰ সম্পন্না আছিল। তেওঁৰ এই গুণ নাটকখনৰ বিভিন্ন স্থানত পৰিস্ফুট হৈছে। পদ্মাৱতীয়ে বৎসৰাজ উদয়নক বিবাহ কৰিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ এই অভিলাষৰ মূলতে আছিল উদয়নৰ দয়াৰে পূৰ্ণ হৃদয়। উদয়নৰ এই গুণৰ প্ৰতি আকৰ্ষিত হোৱাটো

তেওঁৰ উচ্চ মনৰেই পৰিচায়ক। ইয়াৰ উপৰি চতুৰ্থ অংকত উদয়নে মন্তব্য কৰে যে বাসবদত্তা তেওঁৰ বাবে পদ্মাৱতীতকৈ অধিক স্নেহৰ পাত্ৰী। এই কথাত চেটীয়ে উদয়নক নিৰ্দয় বুলি অভিহিত কৰাত পদ্মাৱতীয়ে কৈছিল যে প্ৰকৃততে তেওঁ অধিক সদয়। কাৰণ মৃত্যুৰ পিছতো তেওঁ বাসবদত্তাৰ গুণসমূহ স্মৰণ কৰিছে। ষষ্ঠ অংকত বাসবদত্তাৰ আত্মীয়সকলক তেওঁ নিজৰ আত্মীয় বুলি গণ্য কৰা কথাটোৱে তেওঁৰ উচ্চ মনৰ আন এক পৰিচয় দাঙি ধৰে।

'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীক এক ধৰ্মপৰায়ণা ৰমণী ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। তপোবনৰ বাসিন্দাসকলৰ ধৰ্মকাৰ্য্যত যাতে বাধা নহয় তাৰ প্ৰতি তেওঁ লক্ষ্য ৰাখিছিল। এই কথা প্ৰথম অঙ্কত কাঞ্চুকীয়ৰ উক্তিত এনেদৰে প্ৰকাশ পাইছে— 'ধৰ্মপ্ৰিয়া নৃপসুতা ন হি ধৰ্মপীড়ামিচ্ছেৎ' (অৰ্থাৎ ধৰ্মপৰায়ণা এই ৰাজকন্যাই ধৰ্ম কাৰ্য্যত বাধা হোৱাটো ইচ্ছা নকৰে)। তেওঁ তপোবনবাসী সকলক তেওঁলোকৰ অভীপ্সিত সামগ্ৰী প্ৰদান কৰিব বুলিও কাঞ্চুকীয়ৰ দ্বাৰা ঘোষণা কৰিছিল। পদ্মাৱতীৰ এই ধাৰ্মিক মনোবৃত্তিৰ বাবেই যৌগন্ধৰায়ণে বাসবদত্তাৰ সুৰক্ষা তেওঁৰ ওচৰত নিশ্চিত বুলি বুজিব পাৰিছিল।

পদ্মাৱতীৰ চৰিত্ৰত তেওঁৰ বুদ্ধিদীপ্ততা ভালদৰে প্ৰকাশিত হয়। ষষ্ঠ অংকত পদ্মাৱতীয়ে দেখিলে যে চিত্ৰত থকা বাসবদত্তাৰ প্ৰতিকৃতি আৰ্য্যা আবন্তিকাৰ সদৃশ। চিত্ৰকৰে প্ৰকৃত বাসবদত্তাক চিত্ৰত ফুটাই তুলিব পাৰিছে নে নাই এইটো নিৰ্ণয় কৰিবলৈ তেওঁ উদয়নৰ প্ৰতিকৃতিৰ লগত উদয়নৰ আকৃতি মিলাই চাব বিচাৰিছিল। এইটোৱে তেওঁৰ বুদ্ধিৰ তীক্ষ্ণতাৰেই প্ৰমাণ দিয়ে।

জ্যেষ্ঠজনৰ প্ৰতি সন্মান প্ৰদৰ্শন পদ্মাৱতীৰ চৰিত্ৰৰ আন এক বৈশিষ্ট্য। ষষ্ঠ অংকত মহিষী অঙ্গাৰবতীয়ে পঠিওৱা উদয়ন আৰু বাসবদত্তাৰ প্ৰতিকৃতি থকা চিত্ৰফলকত তেওঁ অভিবাদন জনাবলৈ ইচ্ছা কৰিছিল। তেওঁ কৈছিল— 'চিত্ৰগতং গুৰুজনং দৃষ্ট্ৱাভিৱাদয়িতুমিচ্ছামি' (অৰ্থাৎ চিত্ৰত জ্যেষ্ঠজনক দেখি প্ৰণাম জনাব বিচাৰিছো)।

এনেদৰে 'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীক এক উজ্বল চাৰিত্ৰিক গুণসম্পন্না নাৰী ৰূপে চিত্ৰিত কৰা হৈছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৮ ঃ** উদয়নৰ চৰিত্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

..............................................................................

..............................................................................

**প্ৰশ্ন নং ৯ ঃ** পদ্মাৱতী যে ধৰ্মপৰায়ণা নাৰী আছিল সেই কথা এটা যুক্তিৰে সাব্যস্ত কৰক।

..............................................................................

..............................................................................



## ১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্বপ্নবাসবদত্তম্' সংস্কৃত সাহিত্যৰ এখন উৎকৃষ্ট নাটক। ইয়াৰ ৰচয়িতা মহাকবি ভাস। ইয়াৰ নায়কৰ নাম উদয়ন আৰু নায়িকা বাসবদত্তা। ইয়াৰ মূল উৎস হৈছে গুণাঢ্যৰ 'বৃহৎকথা'। কৰুণৰস সম্বলিত বিপ্ৰলম্ভ শৃঙ্গাৰ 'স্বপ্নবাসবদত্তম্' নাটকৰ প্ৰধান ৰস।
- মহাকবি ভাসে ১৩ খন নাটক ৰচনা কৰিছিল। এই গ্ৰন্থকেইখন ১৯০৯ চনতহে ত্ৰিবান্দ্ৰমত উদ্ধাৰ হয়। বিভিন্ন সমালোচনাত্মক অধ্যয়নৰ জৰিয়তে ভাসকেই এইসমূহৰ ৰচক হিচাপে স্বীকৃতি দিয়া হয়।
- ভাসৰ উত্থান কালৰ উচ্চতম সীমা হৈছে খৃঃপূঃ ৪৫০ চন আৰু ন্যূনতম সীমা হৈছে খৃঃপূঃ ৩৭০ চন।
- ভাসৰ ৰচনাৰ ভাষা অতি সৰল আৰু স্বাভাবিক। ভাসৰ ৰচনাত সহজ সৰল অলঙ্কাৰে প্ৰাধান্য লাভ কৰিছে। বীৰ বাৎসল্য, হাস্য, কৰুণ, অদ্ভুত আৰু ৰৌদ্ৰ ৰসৰ প্ৰতি ভাসৰ এক বিশেষ প্ৰীতি পৰিলক্ষিত হয়। নাটকসমূহৰ বিভিন্ন স্থানত থকা শ্লোকসমূহত বিভিন্ন ছন্দৰ প্ৰয়োগ বিদ্যমান।
- 'স্বপ্নবাসবদত্তম্' নাটকৰ মূল চৰিত্ৰসমূহ নিজস্ব গুণেৰে দীপ্তিমান। নাটকখনক সংস্কৃত সাহিত্য জগতত উৎকৃষ্ট আসন দিয়াত প্ৰতিটো চৰিত্ৰই অৰিহণা আগবঢ়াইছে।




## ১.৮ অধিক জানিবলৈ


১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সস্ত্ৰুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অব ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

## ১.৯ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ভাস।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** নায়ক — উদয়ন / নায়িকা — বাসবদত্তা।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** পঞ্চম অঙ্ক

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** 'নান্দ্যন্তে ততঃ প্ৰবিশতি সূত্ৰধাৰঃ'।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** ভুল।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** ভাসৰ নাটকৰ দুটা বৈশিষ্ট্য হ'ল—

ক) ভাসৰ নাটকৰ বাক্য গাঁথনি অতি সৰল।

খ) ভাসৰ নাটকৰ চৰিত্ৰ সমূহ লৌকিক গুণবিশিষ্ট।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** বসন্ততিলক আৰু উপজাতি

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** ৰজা উদয়নৰ চৰিত্ৰৰ দুটা বৈশিষ্ট্য হ'ল—

ক) ৰজা উদয়ন জনসাধাৰণৰ প্ৰিয়পাত্ৰ আছিল।

খ) তেওঁ এজন স্নেহপৰায়ণ আৰু বিশ্বাসভাজন স্বামী আছিল।

**৯নং প্ৰশ্নৰ উত্তৰ ঃ** তপোবনৰ নিবাসী সকলে যাতে ধৰ্মকাৰ্য্যত বাধাগ্ৰস্ত নহয় পদ্মাৱতীয়ে সেই বিষয়ত লক্ষ্য ৰাখিছিল। ইয়ে তেওঁৰ ধৰ্মপৰায়ণতাৰ কথাকেই সূচায়।



## ১.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন ঃ** (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** সংস্কৃত নাটকত কেইপ্ৰকাৰৰ নায়ক থাকে?

**প্ৰশ্ন ২ ঃ** সংস্কৃত নাটকত কেইপ্ৰকাৰৰ ৰস থাকে?

**খ) চুটি প্ৰশ্ন ঃ** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** স্বপ্নবাসবদত্তম্ নাটকৰ এক চমু আভাস দাঙি ধৰক।

**প্ৰশ্ন ২ ঃ** ত্ৰিবান্দ্ৰমত উদ্ধাৰ হোৱা নাটককেইখনৰ ৰচক একেজন আৰু তেওঁ যে মহাকবি ভাস সেই কথা যুক্তিৰে প্ৰতিপন্ন কৰক।

**প্ৰশ্ন ৩ ঃ** ভাসৰ ৰচনা ৰীতিৰ বৈশিষ্ট্যসমূহ কি কি?

**গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ প্ৰথম অংকৰ সাৰাংশটো লিখক।

**প্ৰশ্ন ২ ঃ** তলৰ চৰিত্ৰসমূহৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰক— উদয়ন, বাসবদত্তা, পদ্মাৱতী।

*** ***** ***